**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-June-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

------------------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ শ্লোভাকিয়াৰ সৰ্বোচ্চ অসামৰিক সন্মান।

২। মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে প্ৰৱৰ্তন কৰা বিনামূলীয়া মাচুল আঁচনিৰ বাবদ চৰকাৰী মহাবিদ্যালয়সমূহলৈ ৰাজ্য চৰকাৰৰ ২০৪ কোটি ৯৪ লাখ টকা মুকলি।

৩। ৰাজ্যত বৃদ্ধি পোৱা প্ৰবঞ্চনামূলক কৰ প্ৰথা ৰোধ কৰিবলৈ বিত্ত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাৰ কৰ বিভাগৰ বিষয়াসকলক নিৰ্দেশ।

৪। আমেৰিকা আৰু ইৰানৰ মাজত ঘোষিত শান্তিচুক্তিৰ পাছতে পশ্চিম এছিয়াত ব্যাপকভাৱে যুদ্ধৰ তীব্ৰতা হ্ৰাস পোৱাৰ সম্ভাৱনা।

*আৰু*

৫। চলিত ফিফা বিশ্বকাপ ফুটবলত আজি হ'বলগীয়া খেলত ফ্ৰান্স ছেনেগালৰ আৰু ইৰাক নৰৱেৰ বিৰুদ্ধে অৱতীৰ্ণ।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক শ্লোভাকিয়াৰ সৰ্বোচ্চ অসামৰিক সন্মানেৰে সন্মানিত কৰা হৈছে। দেশখনৰ ৰাষ্ট্ৰপতি পিটাৰ পেলেগ্ৰীণিয়ে কালি প্ৰধানমন্ত্ৰীগৰাকীক **ডি অৰ্ডাৰ অব দ্যা হোৱাইট ডাবল ক্ৰছ, ফাৰ্ষ্ট ক্লাছ** নামৰ এই বঁটাৰে সন্মানিত কৰে। বঁটা গ্ৰহণ কৰি শ্ৰী মোদীয়ে দেশখনৰ ৰাষ্ট্ৰপতি, চৰকাৰ আৰু জনসাধাৰণলৈ ধন্যবাদ জ্ঞাপন কৰাৰ লগতে প্ৰধানমন্ত্ৰীয়ে তেওঁৰ ভাষণত কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত দেশখনৰ সৈতে হোৱা বুজাবুজিৰ বিষয়ে এইদৰে কয় -

*(বাইট ঃ মোদী)*

প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে এয়া ১৪০ কোটি ভাৰতীয়লৈ শ্লোভাকিয়াই আগবঢ়োৱা সন্মান। বঁটা গ্ৰহণ কৰি শ্ৰী মোদীয়ে ভাৰত আৰু শ্লোভাকিয়াৰ মাজত থকা দীৰ্ঘদিনীয়া মিত্ৰতাৰ সম্পৰ্কৰ বিষয়ে উল্লেখ কৰে। এই সন্মানক তেওঁ উভয় দেশৰ জনসাধাৰণক একত্ৰিত কৰা বিশ্বাস আৰু মৰমৰ প্ৰতীক হিচাপে অভিহিত কৰে। এই সন্মানে ভাৰত আৰু শ্লোভাকিয়াৰ ভৱিষ্যত প্ৰজন্মক দেশ দুখনৰ মিত্ৰতাক আগুৱাই নিয়াৰ ক্ষেত্ৰত অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰে।

*(বাইট ঃ মোদী)*

oooooo

ৰাজ্য চৰকাৰে মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে প্ৰৱৰ্তন কৰা বিনামূলীয়া মাচুল আঁচনিৰ বাবদ চৰকাৰী মহাবিদ্যালয়সমূহক চলিত ২০২৫-২৬ শিক্ষা বৰ্ষত ব্যয়পূৰ্তিৰ ধন হিচাপে ইতিমধ্যে ২০৪ কোটি ৯৪ লাখ টকা মুকলি কৰি দিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এই তথ্য সদৰি কৰি কয়, যে বিগত ২০২৪-২৫ শিক্ষাবৰ্ষৰ বাবেও মহাবিদ্যালয়সমূহে মাচুলৰ বাবদ ব্যয় কৰা ধন সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহৰ বাবে মুকলি কৰি দিয়া হৈছে। ৰাজ্য চৰকাৰে মুঠ ৩০ কোটি টকাৰ এটা অৱশিষ্ট পৰিমাণৰ ধন মুকলি কৰিবলৈ বাকী আছে যদিও

অসম বিধানসভাৰ বাজেট অধিৱেশন সমাপ্ত হোৱাৰ লগে লগে সেয়া মুকলি কৰা হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে অৱগত কৰে। আৰ্থিক অসুবিধাৰ বাবে ৰাজ্যৰ কোনো যোগ্য শিক্ষাৰ্থীয়ে উচ্চ শিক্ষা লাভৰ পৰা বঞ্চিত হ'বলগা নহয়, তাৰ বাবে ৰাজ্য চৰকাৰে বিনামূলীয়া মাচুল আঁচনি সফল ৰূপায়ণ কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ কয়।

oooooo

ৰাজ্যত লক্ষ্যণীয়ভাৱে বৃদ্ধি পোৱা প্ৰৱঞ্চনামূলক কৰ প্ৰথা ৰোধ কৰিবলৈ বিত্ত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কৰ বিভাগৰ বিষয়াসকলক তীক্ষ্ণ নিৰীক্ষণৰ নিৰ্দেশ দিছে। মন্ত্ৰীগৰাকীয়ে কালি কৰ ভৱনত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত অংশ লৈ বিভাগটোৰ কামকাজৰ মূল্যায়ণ কৰাৰ লগতে প্ৰযুক্তিচালিত ৰাজহ সংগ্ৰহৰ দিশটোত গুৰুত্ব আৰোপ কৰি প্ৰশাসনিক দক্ষতাৰ জৰিয়তে কৰ সংগ্ৰহৰ কৌশল তথা ৰাজহ বৃদ্ধিৰে ৰাজ্যক শক্তিশালী কৰাৰ দিশবোৰ আলোচনা কৰে। তেওঁ কৰ আয়ুক্তৰ কাৰ্যালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰা বিষয়াসকলৰ লগতো মত বিনিময় কৰে। সৎ কৰদাতা আৰু ব্যৱসায়ীসকলৰ ওপৰত অতিৰিক্ত কৰৰ বোজা নপৰাকৈ ৰাজ্যৰ বাবে ৰাজহ বৃদ্ধিৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মন্ত্ৰীগৰাকীয়ে অসমৰ কৰদাতা আৰু জন সংখ্যাৰ অনুপাত ৰাষ্ট্ৰীয় গড়ৰ সামান্য তলত থকা বিষয়টো উল্লেখ কৰে। বিত্তমন্ত্ৰীগৰাকীয়ে এই ব্যৱধান চিনাক্ত কৰি ৰাজহ ঘাটি ৰোধ কৰিবলৈ নিৰীক্ষণ ব্যৱস্থাটো পূৰ্বতকৈ শক্তিশালী কৰাৰ নিৰ্দেশ দিয়ে। তেওঁ লগতে কৰ প্ৰতিবেদনত অস্বাভাৱিক ধাৰা বা অসামঞ্জস্যতা দেখুওৱা খণ্ড আৰু প্ৰতিষ্ঠানসমূহৰ ওপৰত বিশেষভাৱে নিৰীক্ষণৰ প্ৰয়োজনীয়তা আছে বুলি কয়। এই দিশত বিভাগীয় দক্ষতা, স্বচ্ছতা আৰু জবাবদিহিৰ ক্ষেত্ৰত প্ৰযুক্তিয়ে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

oooooo

কৃষিখণ্ডত যধে-মধে সাৰৰ প্ৰয়োগত নিয়ন্ত্ৰণ অনাৰ লগতে সাৰৰ ক'লা বজাৰ বন্ধ কৰাৰ উদ্দেশ্যে ৰাজ্যৰ কৃষি বিভাগে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। এই উদ্দেশ্যে কালি নলবাৰী জিলা আয়ুক্তৰ কাৰ্যালয়ত আয়োজিত এটা অনুষ্ঠানত সাৰ ক্ৰয়ৰ ৰূপৰেখা চমুকৈ FFS নামৰ এটা বিশেষ প'ৰ্টেল মুকলি কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে কয়, যে কৃষকৰ উৎপাদন বৃদ্ধিৰ লগতে মাটিৰ গুণগত মান উন্নত কৰাৰ উদ্দেশ্যে মুকলি কৰা এই প'ৰ্টেলৰ অবিহনে এতিয়াৰেপৰা জিলাখনত সাৰৰ ক্ৰয়-বিক্ৰয় সম্ভৱ নহ'ব। ইয়াৰ পৰিৱৰ্তে কৃষকে কৃষক পঞ্জীয়ন নম্বৰ বা আধাৰ নম্বৰৰ জৰিয়তে শস্য নিৰ্বাচন কৰি অনলাইন আবেদনযোগে লাভ কৰা কিউ আৰ ক'ড আৰু টোকেন নম্বৰৰ জৰিয়তেহে সাৰ সংগ্ৰহ কৰিব পাৰিব। এই ব্যৱস্থা কাৰ্যকৰী হ'লে সাৰৰ ক'লা বজাৰ নিয়ন্ত্ৰিত হোৱাৰ লগতে কৃষকে ন্যায্য মূল্যতে সময়মতে সাৰ লাভ কৰাটো নিশ্চিত হ'ব বুলি তেওঁ কয় –

বাইট (নিবেদন)

উল্লেখযোগ্য যে সাৰ ক্ৰয়ৰ ৰূপৰেখা নামৰ প'ৰ্টেলটো প্ৰথমাৱস্থাত নলবাৰী আৰু বঙাইগাঁও জিলাত পৰীক্ষামূলকভাৱে ৰূপায়ণ কৰা হ'ব। পৰৱৰ্তী সময়ত পৰ্যায়ক্ৰমে সমগ্ৰ ৰাজ্যতে এই ব্যৱস্থা কাৰ্যকৰী হ'ব।

oooooo

আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইৰানে প্ৰায় চাৰি মাহজোৰা সংঘাটৰ অৱসান ঘটোৱাৰ লক্ষ্যৰে শান্তি চুক্তিত উপনীত হোৱাৰ বিষয়ে ঘোষণা কৰাৰ পাছতে পশ্চিম এছিয়াত ব্যাপকভাৱে যুদ্ধৰ তীব্ৰতা হ্ৰাস পোৱাৰ সম্ভাৱনা বৃদ্ধি পাইছে। ইতিমধ্যে এই সন্দৰ্ভত এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হোৱা সম্পৰ্কে উভয় ৰাষ্ট্ৰৰ বিষয়বৰ্গই নিশ্চিত কৰিছে। অহা শুকুৰবাৰে ছুইজাৰলেণ্ডৰ জেনেভাত আনুষ্ঠানিক চুক্তি স্বাক্ষৰ কাৰ্যসূচী অনষ্ঠিত হ'ব। চুক্তিখন স্বাক্ষতিৰ হোৱাৰ পাছতে হৰমুজ প্ৰণালী মুকলি হোৱাৰ লগতে সামুদ্ৰিক যাতায়াত পুনৰ আৰম্ভ আৰু ইৰানৰ পাৰমাণৱিক কাৰ্যসূচী সন্দৰ্ভত ৬০ দিনীয়া আলোচনা আৰম্ভ হোৱাৰ লগতে আন আন সমস্যা সমাধানৰ পথ মুকলি হ'ব। এই চুক্তিয়ে সমগ্ৰ

মধ্য প্ৰাচ্যলৈ শান্তি ঘূৰাই আনিব বুলি আশা কৰা হৈছে। চুক্তিখনৰ বিষয়ে কৰা ঘোষণাৰ পাছতে বজাৰত পৰা ইতিবাচক প্ৰভাৱৰ ফলত তেলৰ মূল্য সুলভ হ'বলৈ আৰম্ভ কৰিছে। আমেৰিকাৰ ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে আনুষ্ঠানিক চুক্তি স্বাক্ষৰ কাৰ্যসূচীৰ পাছতহে চুক্তিখনৰ বিষয়ে সবিশেষ প্ৰকাশ কৰা হ'ব বুলি মন্তব্য কৰিছে। ইপিনে উপ-ৰাষ্ট্ৰপতি জে ডি ভান্সে চুক্তিখনত ডিজিটেল স্বাক্ষৰ হোৱাটো নিশ্চিত কৰি ইয়াক সংঘাট অন্ত পেলোৱাৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰছে।

০০০০০০

শক্তিপীঠ কামাখ্যা দেৱালয়ত অহা ২২ জুনৰ পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। দেৱালয়ৰ কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে ২২ জুনৰ নিশা ৯ বাজি ৮ মিনিট ৪২ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হ'ব। প্ৰবৃত্তিৰ লগে লগে কামাখ্যা মন্দিৰ দুৱাৰ ভক্তৰ বাবে বন্ধ কৰি দিয়া হ'ব। ২৩, ২৪ আৰু ২৫ জুনত কামাখ্যা মন্দিৰৰ দুৱাৰ সম্পূৰ্ণভাৱে বন্ধ থাকিব। ২৬ জুনৰ পুৱা অম্বুবাচীৰ নিবৃত্তিৰ পাছত মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰি দিয়া হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো অম্বুবাচীৰ সময়ত নীলাচলত দেশ-বিদেশৰ ভক্তৰ সমাগম হ'ব বুলি দেৱালয় কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে। প্ৰতি বছৰৰ দৰে এইবাৰো অম্বুবাচী মেলাক কেন্দ্ৰ কৰি নীলাচৰ বুকুত অৱস্থিত কামাখ্যা ধামলৈ অগণন সাধু-সন্যাসীৰ আগমন ঘটিছে। গুৱাহাটী পৌৰ নিগমে অম্বুবাচী উপলক্ষে অহা ভক্তৰ ভীৰ নিয়ন্ত্ৰণৰ লগতে খোৱাপানী, পোহৰ আৰু চাফচিকুনতা বজাই ৰখাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। অম্বুবাচী মেলা চলি থকা কেইদিনা নিয়মীয়াকৈ ফ'গিঙৰ ব্যৱস্থা কৰাৰ সমান্তৰালভাৱে প্ৰতিদিনে তিনিবাৰকৈ কামাখ্য ধামৰ চৌহদ চাফচিকুন কৰা হ'ব বুলি গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰনীয়াই কালি সংবাদ মাধ্যমক অৱগত কৰে।

***(বাইট ঃ শৰনীয়া)***

০০০০০০

কোকৰাঝাৰ জিলাত কালি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলাখনত ৰূপায়ণ হৈ থকা চৰকাৰৰ বিভিন্ন আঁচনিসমূহৰ অগ্ৰগতিৰ বুজ লোৱা হয়। কোকৰাঝাৰৰ উপ-আয়ুক্ত ডং পি উদয় প্ৰবীণে এই বৈঠকত সভাপতিত্ব কৰে। গোসাইগাঁৱৰ বিধায়ক সভাৰাম বসুমতাৰী, বাওখুংগ্ৰীৰ বিধায়ক ৰূপম চন্দ্ৰ ৰয়, পৰ্বতঝোৰাৰ বিধায়ক মহম্মদ আশ্ৰাফুল ইছলাম শ্বেইখ, জিলা প্ৰশাসনৰ জ্যেষ্ঠ বিষয়া আৰু চৰকাৰৰ বিভিন্ন বিভাগৰ মুৰববীসকল এই বৈঠকত উপস্থিত থাকে। অতিৰিক্ত জিলা আয়ুক্তই জিলাখনত ৰূপায়ণ হৈ থকা কাম-কাজৰ চমু খতিয়ান দাঙি ধৰে। বিভিন্ন বিভাগৰ মুৰববীসকলেও তেওঁলোকৰ বিভাগৰ অধীনত চলি থকা কামসমূহৰ অগ্ৰগতিৰ বিষয়ে অৱগত কৰে।

০০০০০০

NP Rev-16-6-26-RNU

**আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকত সমূহৰ প্ৰথম পৃষ্ঠাত- ১৯জুনত আমেৰিকা ইৰানৰ মাজত শান্তি চুক্তি, ১০০ শতাংশ ইথানলেৰে চলিব যান বাহন, জুবিন মৃত্যু গোচৰ সন্দৰ্ভত মুঠ ৮৫খন এজাহাৰ আদি ভিন ভিন বাতৰিয়ে স্থান লাভ কৰিছে। দৈনিক অসম কাকতে বিশ্বৰ অৰ্থনীতি তচনচ কৰি দিয়া যুদ্ধৰ অন্ত,১৯ জুনত শান্তি চুক্তি শিৰোনামেৰে আমেৰিকা ইৰানৰ মাজত যুদ্ধ অৱসানৰ বাতৰি আলোক চিত্ৰ সহ পৰিবেশন কৰিছে। নিয়ামিয়া বাৰ্তা কাকতৰ শিৰোনাম মধ্যপ্ৰাচ্যত ১০৮ দিনৰ ৰক্তক্ষয়ী যুদ্ধৰ অৱসান। আমাৰ অসম কাকতে খাৰুৱা তেল- সোণৰ মূল্যৰ অভিলেখ পতন, মূৰ দাঙি উঠিল টকাও শিৰোনামেৰে বক্স নিউজ**

হিচাবে বাতৰিটো প্ৰকাশ কৰিছে।অসমীয়া প্ৰতিদিন কাকতে পাঁচ বছৰত কোটিপতি হ'ল ৰাম মন্দিৰৰ বহু কৰ্মচাৰী শিৰোনামেৰে অযোধ্যাত দিল্লীৰ বিশেষ তদন্তকাৰী দল হাজিৰ হোৱাৰ বাতৰি গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। দি আছাম ট্ৰিবিউন কাকতে বিশ্বৰ সুন্দৰতম বিমান বন্দৰৰ তালিকাত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰৰ ২নম্বৰ টাৰ্মিনেলে স্থান লাভ কৰাৰ বাতৰি প্ৰকাশ কৰিছে। দা ছেণ্টিনেল কাকতে মৌলবাদী শক্তিসমূহে বাংলাদেশ সীমান্তবৰ্তী অঞ্চলত উদ্ভৱ হোৱা পৰিস্থিতিৰ সুযোগ লবলৈ চেষ্টা কৰি থকাৰ বিষয়ে মুখ্য বাতৰি পৰিৱেশন কৰিছে। ডিব্ৰুগড়ত ব্ৰহ্মপুত্ৰৰ পাৰত বৃহৎ উচ্ছেদ অভিযান শীৰ্ষক এটা বাতৰি দৈনিক জনমভূমি কাকতে বিস্তৃত ভাৱে প্ৰকাশ কৰিছে। মানৱ সমাজলৈ সুদিন - মংগলত অক্সিজেনৰ কৃত্ৰিম উৎপাদন শিৰোনামৰ এটা বাতৰি অসমীয়া খবৰ কাকতে বিশেষ গুৰুত্ব সহকাৰে বক্স নিউজ হিচাবে প্ৰকাশ কৰিছে। দৈনিক অগ্ৰদূত কাকতৰ শিৰোনাম জল জীৱনত অনিয়মৰ অভিলেখ অসমত।

০০০০০০

চলিত ফিফা বিশ্বকাপ ফুটবলৰ যোৱা নিশা অনুষ্ঠিত তিনিওখন খেলেই ড্ৰ ৰূপে সমাপ্ত হয়। মিয়ামিত হোৱা গ্ৰুপ-এইচৰ খেলত পূৰ্বৰ চেম্পিয়ন উৰুগুৱে চৌডি আৰবৰ লগত ১-১ গ'লত ড্ৰ খেলাৰ বিপৰীতে এই গ্ৰুপৰে আন এখন খেলত প্ৰথমবাৰৰ বাবে  প্ৰতিযোগিতাত  অংশগ্ৰহণ কৰা দ্বীপ ৰাষ্ট্ৰ কেপভাৰ্ডেই কালি স্পেইনৰ সৈতে গ্ৰুপ-এইছৰ এখন খেল গ'লশূন্যভাৱে সমাপ্ত কৰি চমক সৃষ্টি কৰিছে। ইফালে গ্ৰুপ-জিৰ বেলজিয়াম আৰু ইজিপ্তৰ মাজৰ খেলখনো ১-১ গ'লত ড্ৰ হয়।

এই গ্ৰুপৰে আজি পুৱা অনুষ্ঠিত ইৰান আৰু নিউজিলেণ্ডৰ খেলখনো ২-২ গ'ল ড্ৰ হয়।

বিশ্বকাপৰ আজি হ'বলগা খেলত ভাৰতীয় সময় অনুসৰি নিশা চাৰে ১২ বজাত দুবাৰৰ চেম্পিয়ন ফ্ৰান্সে ছেনেগালৰ মুখামুখি হোৱাৰ বিপৰীতে পুৱতি নিশা চাৰে তিনি বজাত ইৰাকে নৰৱেৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ অহাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ, নাগালেণ্ড, মিজোৰাম, ত্ৰিপুৰা আৰু মণিপুৰৰ কোনো কোনো অংশত পাতলীয়া পৰা মজলীয়া বৰষুণ পৰাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

*ঃঃ সমাপ্ত ঃঃ*